# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-April-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***
——————————————

চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল আজি পুৱা চাৰে ১০ বজাত ঘোষণা কৰা হ'ব। পৰীক্ষাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবচাইটৰ জৰিয়তে নিজৰ ফালফল আৰু নম্বৰ তালিকা লাভ কৰিব পাৰিব। পৰীক্ষাৰ্থীসকলে ahsec.assam.gov.in বা resultsassam.nic.in ৱেবচাইট যোগেও ফলাফল লাভ কৰিব পাৰিব।

উল্লেখযোগ্য যে যোৱা ১১ ফেব্ৰুৱাৰীৰ পৰা ১৬ মাৰ্চলৈ অনুষ্ঠিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত এইবাৰ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী, বিজ্ঞান শাখাত ৬১ হাজাৰ ৫৬৮ গৰাকী আৰু বাণিজ্য শাখাত ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাত অৱতীৰ্ণ হৈছিল।

০০০০০০

অহা ৪ মে'ত ৰাজ্যৰ ৩৫ খন জিলাৰ মুখ্য কাৰ্যালয়ত পুৱা ৮ বজাৰ পৰা বিধানসভা নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। ইয়াৰ বাবে নিৰ্বাচন আয়োগে যাৱতীয় প্ৰস্তুতি চলাই আছে। ভোটগণনা প্ৰক্ৰিয়াত নিয়োজিত হ'বলগীয়া বিষয়া-কৰ্মীসকলৰ প্ৰশিক্ষণ আৰম্ভ হৈছে।

অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল কালি যোৰহাট নিৰ্বাচনী জিলাত ভোটগণনা প্ৰক্ৰিয়াৰ বাবে চলোৱা প্ৰস্তুতিৰ বুজ লয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে যোৰহাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত চাৰিওটা বিধানসভা সমষ্টিৰ বাবে নিৰ্ধাৰিত ভোটগণনা কেন্দ্ৰ তথা ষ্ট্ৰংৰূমসমূহ পৰিদৰ্শন কৰে।

আনহাতে, যোৰহাট নিৰ্বাচনী জিলাৰ ভোটগণনা প্ৰক্ৰিয়া আৰু আইন শৃংখলা পৰিস্থিতি সন্দৰ্ভত কালি জিলাখনৰ আৱৰ্ত ভৱনৰ সভাগৃহত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত ভোটগণনা প্ৰক্ৰিয়া শৃংখলাবদ্ধভাৱে সম্পন্ন কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

ইপিনে, গোৱালপাৰা জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ভোটগণনাত জড়িত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ জিলা প্ৰশাসনে কালি আৰম্ভ কৰে।

০০০০০০

অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনালৈ মাজত কেইটামান দিন বাকী থকা অৱস্থাত ৰাজ্যৰ ষ্ট্ৰং ৰূমসমূহ মুঠেও সুৰক্ষিত নহয় বুলি কংগ্ৰেছ নেতা তথা ৰঙিয়া সমষ্টিৰ প্ৰাৰ্থী প্ৰাণজিৎ চৌধুৰীয়ে নিৰ্বাচন আয়োগত অভিযোগ দিছে। আমিনগাঁৱত স্থাপন কৰা কামৰূপ জিলাৰ ষ্ট্ৰং ৰূমৰ সুৰক্ষাক লৈ কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে কালি দেশৰ মুখ্য নিৰ্বাচন আয়োগত অভিযোগ দাখিল কৰে। কংগ্ৰেছ নেতাজনে অভিযোগ কৰা মতে বিষয়টো সন্দৰ্ভত তেওঁ কামৰূপ জিলা নিৰ্বাচনী বিষয়াক লিখিত অভিযোগ দিছিল যদিও নিৰ্বাচনী বিষয়াই এই বিষয়ত কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। সেয়ে এই অভিযোগ দেশৰ নিৰ্বাচন আয়োগৰ ওচৰত দাখিল কৰা বুলি তেওঁ কয়।

বাইট

০০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশমৰ্মে দৰং জিলাত অহা ৯ মে'ত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এই লোক আদালতৰ জৰিয়তে বিভিন্ন ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, মটৰ দুৰ্ঘটনা সম্পৰ্কীয় গোচৰ, ৰাজহ সংক্ৰান্তীয় গোচৰ আদিৰ ব্যয়হীন খৰতকীয়া নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি বেংকৰ লেনদেন সম্পৰ্কীয় গোচৰ, টেলিফোন বিল, বিদ্যুৎ মাছুল সম্পৰ্কীয় বিবাদসমূহো নিষ্পত্তি কৰা হ'ব। জনসাধাৰণৰ সুবিধাৰ্থে এনে গোচৰসমূহৰ আগতীয়া শুনানিৰো ব্যৱস্থা কৰা হৈছে। জিলাখনৰ আগতীয়াকৈ জাননী লাভ কৰা লোকসকলে জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰি অথবা ই-মেইলযোগে এই সুবিধা ল'ব পাৰিব। জাননী লাভ নকৰা লোকসকলে দৰং জিলা কোষাগাৰৰ সমীপত থকা জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ত যোগাযোগ কৰি বিবাদ নিষ্পত্তিৰ সুবিধা ল'ব পাৰিব।

০০০০০০

ডিব্ৰুগড়ৰ মানকটা কছাৰী বস্তিৰ শ্ৰীশ্ৰী আউনী আটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত কালি **ধ্ৰুৱ চৰিত্ৰ** শিশু ভাওনা প্ৰদৰ্শন কৰা হয়। জিলাখনৰ কন কন শিশুসকলৰ দ্বাৰা এই ভাওনা প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত গছপুলি ৰোপণ, বন্তি প্ৰজ্বলন আদিৰ লগতে বৰগীত, ভোৰতাল নৃত্য, সত্ৰীয় নৃত্যৰ লগতে দিহানাম পৰিৱেশন কৰা হয়। অসম সাহিত্য সভাৰ কুঁহিৰ আহ্বায়ক তথা অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা প্ৰশান্ত শইকীয়াই এই ভাওনা উদ্বোধন কৰে।

০০০০০০

**সমাপ্ত**